# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-06-2024
**Time :** 17-15 Hrs

***Assamese Evening Bulletin***

**- - - - - - - - - - - - - - -**

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ বিয়লি ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে প্ৰাক্তন উপ-ৰাষ্ট্ৰপতি এম ভেংকায়া নাইডুৰ জীৱন আৰু কৰ্মক সামৰি ৰচনা কৰা তিনিখন গ্ৰন্থ উন্মোচন কৰিব। শ্ৰীনাইডুৰ ৭৫ বছৰীয়া জন্মদিনৰ লগত সংগতি ৰাখি এই গ্ৰন্থ তিনিখন উন্মোচন কৰা হ'ব। হায়দৰাবাদৰ গাছিবউলিৰ অন্বয়া  প্ৰেক্ষাগৃহত প্ৰাক্তন উপ-ৰাষ্ট্ৰপতিগৰাকীৰ জন্ম দিন উপলক্ষে বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে উন্মোচন কৰিবলগীয়া গ্ৰন্থকেইখন হৈছে– আগশাৰীৰ কাকত দি হিন্দুৰ হায়দৰাবাদ সংস্কৰণৰ প্ৰাক্তন আৱাসিক সম্পাদক এছ্ নাগেশ কুমাৰৰ **"VENKAIAH NAIDU - LIFE IN SERVICE"**, উপ-ৰাষ্ট্ৰপতিৰ প্ৰাক্তন সচিব ড০ আই ভি চুববা ৰাওৰ **CELEBRATING BHARAT - THE MISSION AND MESSAGE OF SHRI M VENKAIAH NAIDU AS 13TH VICE-PRESIDENT OF INDIA** আৰু সঞ্জয় কিশোৰৰ **"MAHANETA - LIFE AND JOURNEY OF SHRI M. VENKAIAH NAIDU"**।

০০০০০০০

ভাৰতীয় সেনাৰ শ্বিলঙৰ নিযুক্তি কাৰ্যালয়ে মধ্য অসমৰ চাৰিখন জিলা শোণিতপুৰ, বিশ্বনাথ, নগাঁও আৰু মৰিগাঁৱৰ বাবে অহা ২৩ জুলাইৰ পৰা ২৭ জুলাইলৈ শোণিতপুৰৰ ষ্টেডিয়ামত অগ্নিবীৰ প্ৰাৰ্থীৰ নিযুক্তি সমাবেশৰ আয়োজন কৰিছে। মিছামাৰীৰ সেনা ছাউনীৰ যশৱন্ত ষ্টেডিয়ামত এই সমাবেশ অনুষ্ঠিত হ'ব। চলিত বৰ্ষৰ যোৱা এপ্ৰিল মাহৰ পৰা মে' মাহলৈ সাধাৰণ প্ৰৱেশ পৰীক্ষাত নিৰ্বাচিত হোৱা পৰীক্ষাৰ্থীয়ে এই সমাবেশত অংশ ল'ব পাৰিব। প্ৰাৰ্থীসকলে ফলাফল তথা অন্যান্য গুৰুত্বপূৰ্ণ তথ্যৰ বাবে ভাৰতীয় সেনাৰ অফিচিয়েল ৱেবছাইট WWW.JOININDIANARMY.NIC.INত লগইন কৰিব পাৰিব।

০০০০০০০০

ৰাজ্য চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ আয়ুক্ত সচিব  ড০ পি অশোক বাবুই আজি বৰপেটা জিলাৰ নৈ'পৰীয়া পুব মহচ'ৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত উপস্থিত হৈ চ'ৰ অঞ্চলৰ স্বাস্থ্য সেৱাৰ ব্যৱস্থা সম্পৰ্কে পৰ্যবেক্ষণ কৰে। উল্লেখযোগ্য যে এই স্বাস্থ্য কেন্দ্ৰটোৱে জিলাখনৰ পুব দিশৰ চ'ৰ অঞ্চলসমূহৰ বৃহৎ অংশ সামৰি স্বাস্থ্য সেৱা আগবঢ়াই আহিছে। আয়ুক্ত সচিবগৰাকীয়ে কেন্দ্ৰটোত উপস্থিত হৈ বানৰ সময়ত ৰাইজক উপযুক্ত চিকিৎসা প্ৰদান কৰাৰ লগতে চিকিৎসক আৰু স্বাস্থ্যকৰ্মীৰ উপস্থিতিৰ সম্পৰ্কে বুজ লয়। তেওঁ পৰ্যবেক্ষণৰ সময়ত সৰ্বাধিক প্ৰয়োজনীয় ঔষধবোৰ পৰ্যাপ্ত পৰিমাণে মজুত ৰাখিবলৈ আহ্বান জনায়। সমান্তৰালভাৱে চিকিৎসক আৰু স্বাস্থ্য কৰ্মীৰ নিয়মীয়া উপস্থিতিও নিশ্চিত কৰাত বিশেষ গুৰুত্ব আৰোপ কৰে।

০০০০০০০০

গুৱাহাটী বিশ্ববিদ্যালয়ত সংঘটিত স্নাতক পৰীক্ষাত নম্বৰ জালিয়াতিত জড়িত থকাৰ অভিযোগত অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগ আৰু বৰপেটাৰোড আৰক্ষীয়ে ৮জন লোকক আটক কৰিছে। লোক কেইজনক বৰপেটা, ধুবুৰী

আৰু গুৱাহাটীৰ পৰা আটক কৰা হৈছে। বৰ্তমান বৰপেটাৰোড আৰক্ষী থানাত লোক কেইজনক জেৰা কৰি থকা হৈছে। আটকাধীন লোক কেইজনৰ সন্দৰ্ভত আৰক্ষীয়ে আনুষ্ঠানিকভাৱে কোনো তথ্য সদৰি কৰা নাই।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত বিনিময় কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১১১ সংখ্যক খণ্ড। আনহাতে শ্ৰীমোদীয়ে একেৰাহে তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত এয়া হ'ব মন কী বাতৰ প্ৰথমটো খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৱছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজৰ উপৰি প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য-সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটোৰ ঠিক পাছতে ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

oooooooo

ভাৰত আজি বাৰবাডোছত হ'বলগীয়া আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

ৰোহিত শৰ্মাৰ নেতৃত্বত ভাৰতীয় দলটোৱে ছেমি ফাইনেলত যোৱাবাৰৰ চেম্পিয়ন ইংলেণ্ডক ৬৮ ৰানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। আনহাতে দক্ষিণ আফ্ৰিকাই ছেমি ফাইনেলত আফগানিস্তানক পৰাভূত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰত আৰু দক্ষিণ আফ্ৰিকা এইবাৰৰ প্ৰতিযোগিতাত বৰ্তমানলৈকে এখনো খেলত পৰাজিত হোৱা নাই। ভাৰতীয় ক্ৰিকেট দলৰ মুখ্য প্ৰশিক্ষক হিচাপে ৰাহুল দ্ৰাবিড়ৰ এইখন অন্তিমখন খেল হ'ব।

oooooooo

ৰাজ্যিক ক্ৰীড়া আৰু যুৱ পৰিক্ৰমা সঞ্চালকালয়ৰ পৰা এককালীন আৰু নিয়মীয়া ক্ৰীড়া পেন্সনৰ বাবে কৰিমগঞ্জৰ জিলা ক্ৰীড়া বিষয়া কাৰ্যালয়ে খেলুৱৈসকলৰ পৰা আবেদন বিচাৰিছে। অলিম্পিক গেমছ, কমনৱেলথ গেমছ, অলিম্পিকত অনুমোদিত ক্ৰীড়াৰ বিশ্ব চেম্পিয়ন আৰু ৰাষ্ট্ৰীয় ক্ৰীড়াত পদক বিজয়ী ৰাজ্যৰ স্থায়ী বাসিন্দা খেলুৱৈসকলে এই পেন্সনৰ বাবে আবেদন কৰিব পাৰিব। ক্ৰীড়া পেন্সন লাভ কৰিবলৈ ইচ্ছুক প্ৰাৰ্থীসকলে নিৰ্ধাৰিত ফৰমেটত জিলা ক্ৰীড়া কাৰ্যালয়ত ১০ জুলাইৰ ভিতৰত আবেদন কৰিব লাগিব।

oooooooo

**সমাপ্ত**